**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 09-02-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
**HEADLINES**

**::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি নতুন দিল্লীত চিচিলিৰ ৰাষ্ট্ৰপতি ড০ পেট্ৰিক হাৰ্মিনিৰ সৈতে বৈঠকত মিলিত হ'ব।

২। তিনিদিনীয়া ভ্ৰমণসূচীৰে নাগালেণ্ডলৈ অহা কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী কৃতিবৰ্ধন সিঙে আজি ক'হিমাত বিভিন্ন কাৰ্যসূচীত অংশ ল'ব।

৩। মেঘালয়ৰ কয়লা খনিত বিস্ফোৰণত নিহত শ্ৰমিকসকলৰ উদ্ধাৰ অভিযান অব্যাহত আছে।

৪। ৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত চাৰ্ভিচেছ্ দলে কেৰালাক ১-০ গ'লত পৰাস্ত কৰি খিতাপ অৰ্জন কৰে।

*আৰু*

৫। টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা কলম্বোত অনুষ্ঠিত গ্ৰুপ-বিৰ এখন খেলত শ্ৰীলংকাই আয়াৰলেণ্ডক ২০ ৰাণত পৰাস্ত কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি নতুন দিল্লীত চিচিলিৰ ৰাষ্ট্ৰপতি ড০ পেট্ৰিক হাৰ্মিনিৰ সৈতে বৈঠকত মিলিত হ'ব। দুয়োগৰাকী নেতাই পাৰস্পৰিক স্বাৰ্থ সম্বলিত দ্বিপাক্ষিক, আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয় সন্দৰ্ভত আলোচনা কৰিব। চিচিলিৰ ৰাষ্ট্ৰপতিগৰাকীয়ে আজি সন্ধিয়া ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰিব। পাঁচদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ অহা ড০ পেট্ৰিক হাৰ্মিনিয়ে চেন্নাই আৰু মুম্বাইত কেইবাটাও ফলপ্ৰসূ কাৰ্যসূচীৰ পাছত কালি নতুন দিল্লীত উপস্থিত হয়। কেন্দ্ৰীয় মন্ত্ৰী অনুপ্ৰিয়া পেটেলে তেওঁক বিমান বন্দৰত আদৰণি জনায়। ৰাষ্ট্ৰপতিগৰাকীয়ে চেন্নাই আৰু মুম্বাইত প্ৰশাসন, উদ্যোগ, উপকূল ব্যৱস্থাপনা আৰু স্বাস্থ্য খণ্ডৰ অংশীদাৰসকলৰ সৈতে আলোচনাত মিলিত হয়। উল্লেখযোগ্য যে ভাৰত মহাসাগৰ খণ্ডত চিচিলি হৈছে ভাৰতৰ অন্যতম গুৰুত্বপূৰ্ণ সামুদ্ৰিক চুবুৰীয়া ৰাষ্ট্ৰ। ভাৰতৰ **মহাসাগৰ দৃষ্টিভংগী আৰু গোলকীয় দক্ষিণৰ** প্ৰতি প্ৰতিশ্ৰুতিবদ্ধতাৰ ক্ষেত্ৰত চিচিলিৰ বিশেষ গুৰুত্ব আছে। ভাৰত আৰু চিচিলিৰ মাজত কূটনৈতিক সম্পৰ্কই ৫০ বছৰ সম্পূৰ্ণ কৰাৰ সময়ত দেশখনৰ ৰাষ্ট্ৰপতিগৰাকীৰ এই ভ্ৰমণে গুৰুত্ব বহন কৰিছে। ইয়াৰ ফলত দেশ দুখনৰ মাজত সহযোগিতা বৃদ্ধি পোৱাৰ উপৰি জনসাধাৰণৰ মাজত সম্পৰ্কও সুদৃঢ় হ'ব বুলি আশা কৰা হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জাপানৰ প্ৰধানমন্ত্ৰী ছানায়ে টাকাইচিক দেশখনৰ হাউচ অব ৰিপ্ৰেজেণ্টেটিভছ নিৰ্বাচনত জয়ী হোৱাৰ বাবে শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে ভাৰত

আৰু জাপানৰ মাজত বিশেষ কৌশলগত আৰু গোলকীয় সহযোগিতাই গোলকীয় শান্তি, স্থিৰতা আৰু সমৃদ্ধিৰ ক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। ছানায়ে টাকাইচিৰ সৰল নেতৃত্বই ভাৰত-জাপান মিত্রতাক নতুন পর্যায়লৈ লৈ যাব বুলি শ্রী মোদীয়ে আশা প্রকাশ কৰে।

০০০০

কেন্দ্রীয় গৃহ মন্ত্রী অমিত শ্বাহ আজি চত্তীশগড়ৰ জগদলপুৰত অনুষ্ঠিত বাষ্টৰ পন্দুম মহোৎসৱৰ সামৰণি অনুষ্ঠাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। তিনি দিনীয়াকৈ অনুষ্ঠিত এই মহোৎসৱখন যোৱা শুক্রবাৰে ৰাষ্ট্রপতি শ্রীমতী দ্রৌপদী মুর্মুৱে উদ্বোধন কৰিছিল। উল্লেখযোগ্য যে, এই মহোৎসৱত জনজাতীয় সম্প্রদায়সমূহৰ জীৱনশৈলী, বিশ্বাস, ৰীতি-নীতি তথা বর্ণাঢ্য সংস্কৃতি প্রদর্শন কৰা হয়। লোককলা, থলুৱা পৰম্পৰা আৰু পৌৰাণিক ৰীতি-নীতিৰে সমৃদ্ধ **বাষ্টৰ পণ্ডুম** মহোৎসৱ জনজাতীয় লোকসকলৰ পৰিচয়, গৌৰৱ আৰু ঐতিহ্য শক্তিশালী কৰাৰ উল্লেখনীয় মঞ্চ হিচাপে বিবেচিত হৈছে। এইবাৰৰ মহোৎসৱত জনজাতীয় নৃত্য, থিয়েটাৰ, থলুৱা বাদ্যযন্ত্র আৰু খাদ্যসম্ভাৰ, হস্তশিল্প আদিকে ধৰি ১২ টা শিতানত প্রদর্শনী অনুষ্ঠিত হয়। মহোৎসৱত বাষ্টৰ খণ্ডৰ উপৰি মধ্যপ্রদেশ, অন্ধ্রপ্রদেশ, তেলেংগানা আৰু কর্ণাটকৰ লোকশিল্পীসকলে অনুষ্ঠান পৰিৱেশন কৰে।

০০০০

কেন্দ্রীয় পৰিৱেশ দপ্তৰৰ ৰাজ্য মন্ত্রী কৃতিবর্ধন সিং কালি তিনিদিনীয়া ভ্রমণসূচীৰে নাগালেণ্ডত উপস্থিত হয়। শ্রী সিঙে প্রথমে ডিমাপুৰত ৰাজ্যখনৰ বিজেপিৰ দলীয় সদস্য আৰু ইষ্টাৰ্ন নাগালেণ্ড পিপ্‌লছ অৰ্গেনাইজেছন, ই এন পি অ'ৰ প্রতিনিধিসকলৰ সৈতে বৈঠকত মিলিত হয়। মন্ত্রীগৰাকীয়ে ই এন পি অ'ক ঐতিহাসিক নাগালেণ্ড সীমান্ত আঞ্চলিক প্রাধীকৰণ চুক্তিৰ বাবে শুভেচ্ছা জনাই কয়, যে এই চুক্তি হৈছে নাগালেণ্ডৰ শান্তি আৰু সমৃদ্ধিৰ দিশত এটা গুৰুত্বপূর্ণ পদক্ষেপ। উত্তৰ-পূবৰ উন্নয়ন তথা যুৱ চামৰ আকাংক্ষা পূৰণ কৰাটো বিকশিত ভাৰত ২০৪৭ দর্শনৰ গুৰুত্বপূর্ণ দিশ বুলি শ্রী সিঙে পুনৰ নিশ্চিত কৰে। এই ভ্রমণকালত কেন্দ্রীয় মন্ত্রীগৰাকীয়ে ফেক জিলাৰ কাপামদজুত এটা স্থানীয় অনুষ্ঠানত অংশ ল'ব। তেওঁ আজি ৰাজধানী চহৰ ক'হিমালৈ যাব।

০০০০

মেঘালয়ৰ থাংস্কক' অঞ্চলৰ মিনশ্বিংগাতত কয়লা খনিত বিস্ফোৰণত নিহত শ্রমিকসকলৰ উদ্ধাৰ অভিযান অব্যাহত আছে। কালিৰ অভিযানত কোনো মৃতদেহ উদ্ধাৰ কৰিব পৰা নগ'ল। উদ্ধাৰকাৰী দলে বিস্ফোৰণস্থলীত তন্ন তন্নকৈ অনুসন্ধান চলায়। আজি পুৱা পুনৰ উদ্ধাৰ অভিযান আৰম্ভ হ'ব। এই ঘটনাৰ পাছতে পূব জয়ন্তীয়া পাহাৰ জিলা প্রশাসনে অবৈধ খননৰ বিৰুদ্ধে অভিযান তীব্রতৰ কৰি তুলিছে। ইয়াৰ বাবে কার্যবাহী দণ্ডাধীশ, আৰক্ষী আৰু খনিজাত সম্পদ সঞ্চালকালয়ৰ বিষয়াসকলক লৈ পাঁচটা দল গঠন কৰা হৈছে। তদুপৰি ইতিমধ্যে দাখিল কৰা অবৈধ খনন কাৰ্যৰ সৈতে জড়িত গোচৰত এজাহাৰ ৰুজু কৰা হৈছে। ৰাজ্য চৰকাৰে খনি বিস্ফোৰণত নিহত আঠজন শ্রমিকৰ পৰিয়াললৈ ২৪ লাখ টকাৰ আর্থিক সাহায্য আগবঢ়াইছে।

০০০০

অসমৰ ঢকুৱাখনাত অনুষ্ঠিত ৭৯ সংখ্যক সন্তোষ ট্রফী ৰাষ্ট্রীয় ফুটবল প্রতিযোগিতাৰ ফাইনেলত কালি চার্ভিচেছ দলে কেৰালাক ১-০ গ'লত পৰাস্ত কৰি খিতাপ অর্জন কৰে। চার্ভিচেছে অষ্টমবাৰৰ বাবে সন্তোষ ট্রফীৰ খিতাপ জয় কৰে। নির্ধাৰিত সময়ত গ'ল শূন্যভাৱে সামৰণি পৰা খেলখনৰ অতিৰিক্ত সময়ৰ ১০৯ মিনিটত চার্ভিচেছৰ হৈ অভিষেক পাৱাৰে নির্ণায়ক গ'লটো দিয়ে।

০০০০

টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা কলম্বোৰ আৰ প্ৰেমাদাসা ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-বিৰ এখন খেলত শ্ৰীলংকাই আয়াৰলেণ্ডক ২০ ৰাণত পৰাস্ত কৰে। শ্ৰীলংকাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৬ উইকেটৰ বিনিময়ত ১৬৩ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত আয়াৰলেণ্ডে ১৯ অভাৰ পাঁচটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৪৩ ৰান কৰিবলৈ সমৰ্থ হয়।

ইয়াৰ পূৰ্বে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ চিৰ এখন খেলত ইংলেণ্ডে নেপালক চাৰি ৰানত পৰাস্ত কৰে। ইংলেণ্ডেলে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত সাত উইকেটৰ বিনিময়ত ১৮৪ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত নেপালে নিৰ্ধাৰিত অভাৰত ছয় উইকেটৰ বিনিময়ত ১৮০ ৰান কৰিবলৈ সমৰ্থ হয়। চেন্নাইত অনুষ্ঠিত গ্ৰুপ-ডিৰ আন এখন খেলত কালি নিউজিলেণ্ডে আফগানিস্তানক ৫উইকেটত পৰাস্ত কৰে।

প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত দিনৰ ১১ বজাত স্কটলেণ্ড ইটালীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। বিয়লি তিনি বজাত কলম্বোত হ'বলগীয়া আন এখন খেলত জিম্বাবুৱে আৰু ওমান মুখামুখি হ'ব। সন্ধিয়া সাত বজাত আহমেদাবাদত হ'বলগীয়া তৃতীয়খন খেলত দক্ষিণ আফ্ৰিকাই কানাডাৰ বিৰুদ্ধে খেলিব।

০০০০

চীনৰ টিয়ানজিনত অনুষ্ঠিত এছিয়ান ইণ্ডোৰ এথলেটিক্‌ছ চেম্পিয়নশ্বিপত ভাৰতে পাঁচটা পদকেৰে নিজৰ অভিযান সামৰে। প্ৰতিযোগিতাখনৰ পদক তালিকাত ভাৰত ষষ্ঠ স্থানত থাকে। ভাৰতৰ তেজস্বীন শংকৰে কালি পুৰুষৰ হেপটাথলন শাখাত দেশৰ হৈ একমাত্ৰ সোণৰ পদক অৰ্জন কৰে। এই প্ৰতিযোগিতাত পাঁচ হাজাৰ ৯৯৩ পইণ্টেৰে শংকৰে নতুন ৰাষ্ট্ৰীয় ইণ্ডোৰ অভিলেষ স্থাপন কৰে। কালি প্ৰতিযোগিতাৰ অন্তিম দিনা ভাৰতে আৰু তিনিটা পদক অৰ্জন কৰে। হাইজাম্পত পূজাই ৰূপৰ পদক, শ্বটপুটত টাজিন্দৰ পাল সিঙে ৰূপৰ পদক আৰু লং জাম্পত এনচি ছুজানে ব্ৰঞ্জৰ পদক লাভ কৰে। আয়োজক দেশ চীনে ১০ টা সোণ, ১১ টা ৰূপ আৰু ১৩ টা ব্ৰঞ্জসহ মুঠ ৩৪ টা পদকেৰে শীৰ্ষ স্থানত থাকে।

০০০০

ঃঃ সমাপ্ত ঃঃ